## ‘দিহা-পৰামৰ্শ’ শব্দৰ দুটা অৰ্থ

অৰুণ জেটলিৰ নিবন্ধ

যোৱা ১১ জানুৱাৰী ২০১৩ত উচ্চতম ন্যায়ালয়ে কৰ্ণাটক উপ লোকায়ুক্ত সন্দৰ্ভত ৰায় দিছে। মই উচ্চতম ন্যায়ালয়ৰ আৰু এটা ৰায়ৰ সন্দৰ্ভত যোৱা ৩ জানুৱাৰীত বিশদ মন্তব্য আগবঢ়াইছো। সেইটো হ’ল গুজৰাটত লোকায়ুক্ত নিয়োগৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়। ন দিনৰ ব্যৱধানত দিয়া দুয়োটা ৰায়দান মই বিশদভাৱে অধ্যয়ন কৰিছো। উচ্চতম ন্যায়ালয়ে দুয়োটা ৰায়দানত যি আইনৰ কথা উল্লেখ কৰিছে সেয়া সম্পূৰ্ণৰূপে পৃথক। ইয়াৰ ফলত গুজৰাটত লোকায়ুক্ত নিয়োগৰ সন্দৰ্ভত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ মতামতৰ প্ৰাধান্য আৰু প্ৰাথমিকতাৰ সন্দৰ্ভত যথেষ্ট সন্দেহৰ থল আছে।

### আইনত কি আছে

কৰ্ণাটকৰ আইনত ৩ নম্বৰ ধাৰাত লোকায়ুক্ত আৰু উপ লোকায়ুক্ত নিয়োগৰ সন্দৰ্ভত উল্লেখ কৰা হৈছে। এই আইনৰ ৩ (২)(খ) ধাৰাত কোৱা হৈছে,

‘‘উপ লোকায়ুক্ত হিচাপে তেওঁকেই মনোনীত কৰা হ’ব, যি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আছিল তথা মুখ্যমন্ত্ৰীয়ে এইক্ষেত্ৰত কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, বিধান পৰিষদৰ চেয়াৰমেন, বিধানসভাৰ অধ্যক্ষ আৰু বিধান পৰিষদ তথা বিধানসভাৰ বিৰোধী নেতাৰ সৈতে দিহা-পৰামৰ্শ কৰি যি নামৰ প্ৰস্তাৱ আগবঢ়াব তাৰ ভিত্তিতে এই নিয়োগ হ’ব।’’

গুজৰাট আইনৰ ৩ নম্বৰ ধাৰাত কোৱা হৈছে,

‘‘এই আইন অনুসৰি তদন্ত কৰাৰ বাবে ৰাজ্যপালে নিজৰ অধিকাৰত এজন লোকায়ুক্ত নিয়োগ কৰিব। সেয়েহে লোকায়ুক্তক নিয়োগৰ পূৰ্বে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ তথা যদি বিধানসভা ভঙ্গ কৰা হয় বা ৰাজ্যত ৩৫৬ ধাৰা বলবত থাকে তেন্তে বিধানসভাৰ বিৰোধী দল নেতাৰ সৈতে বা এনে পদত কোনো নাথাকিলে বিৰোধীয়ে যাক মনোনীত কৰে তেওঁৰ সৈতে বা অধ্যক্ষই যি জনক ক’ব তেওঁৰ সৈতে দিহা-পৰামৰ্শ কৰা হ’ব।’’

কৰ্ণাটকৰ আইনখন এবাৰ পঢ়িলে এক সিদ্ধান্তত উপনীত হ’ব পৰা যায়। সেইটো হ’ল, যি জনক উপ লোকায়ুক্ত হিচাপে নিয়োগ কৰা হ’ব তেওঁ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হ’ব লাগিব আৰু মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক যি পৰামৰ্শ আগবঢ়াব, সেইটো স্বীকাৰ কৰি এই নিয়োগ হ’ব। অৱশ্যে এই সন্দৰ্ভত আলোচনা কৰাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ, বিধানসভা আৰু বিধান পৰিষদৰ চেয়াৰমেন তথা অধ্যক্ষ আৰু বিৰোধী

নেতৃবৃন্দৰ সৈতে দিহা-পৰামৰ্শ কৰিব লাগিব। ইয়াত যি কথা ব্যৱহাৰ কৰা হৈছে সেয়া হ'ল 'দিহা-পৰামৰ্শ'।

গুজৰাটৰ আইনত যি ব্যৱস্থাৰ কথা কোৱা হৈছে সেয়া হ'ল এই নিয়োগ ৰাজ্যপালৰ ছীলমোহৰৰ অধীনত হ'ব। উচ্চতম ন্যায়ালয়ে ঠিকেই কৈছে ৰাজ্যপালে মন্ত্ৰীসভাৰ পৰামৰ্শ মানি কাম কৰিব। মুখ্যমন্ত্ৰী বা মন্ত্ৰীসভা, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু বিৰোধী নেতাৰ সৈতে দিহা-পৰামৰ্শ কৰিব। ইয়াতো 'দিহা-পৰামৰ্শ' কথাতো ব্যৱহাৰ কৰা হৈছে।

কথা হ'ল, কৰ্ণাটক আইনৰ 'দিহা-পৰামৰ্শ' আৰু গুজৰাট আইনৰ 'দিহা-পৰামৰ্শ' পৃথক নেকি? কৰ্ণাটকৰ ৰায়ে বিচাৰ বিভাগ আৰু প্ৰশাসনৰ মাজত ভাৰসাম্য ৰক্ষা কৰিছে।

এটা ব্যাখ্যাৰ সোণালী নিয়ম অনুসৰণ কৰিছে, সেইটো হ'ল, আইনসভাৰ যি ধাৰণা, সেইটো অনুসৰণ কৰি শব্দৰ ব্যাখ্যা।

কৰ্ণাটকৰ দৃষ্টিভংগী

কৰ্ণাটক গোচৰৰ ৰায়দানত উচ্চতম ন্যায়ালয়ে সঠিকভাৱে কৈছে, আলোচনা নিশ্চিতভাবে অৰ্থপূৰ্ণ আৰু কাৰ্যকৰী হ'ব লাগিব। যি নামসমূহ মুখ্যমন্ত্ৰীয়ে আগবঢ়াব বিচাৰে, সেই নামসমূহ তেওঁলোকে জানিব লাগিব। কৰ্ণাটক প্ৰসঙ্গত উচ্চতম ন্যায়ালয়ে দুটা মত হ'ল,

''মুখ্যমন্ত্ৰীয়ে যি পৰামৰ্শ আগবঢ়াব, সি প্ৰাথমিকতা লাভ কৰিব, মুখ্য ন্যায়াধীশৰ পৰা আৰম্ভ কৰি অন্যান্য মতামত নহয়.........

মোৰ মত হ'ল, আইনৰ ৩ (২)(খ) ধাৰাৰ এটাই ব্যাখ্যা, আমি এইটো লৈ যিমানেই আলোচনা নকৰো লাগে, কেতিয়াও কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ মতামতক প্ৰাধান্য দিয়াৰ কথা ক'ব নোৱাৰো। সেয়েহে মোৰ মত হ'ল, উচ্চ ন্যায়ালয়ে যি নিৰ্দেশ দিছে যে, মুখ্য ন্যায়াধীশৰ মতামতে প্ৰাধান্য পাব, সেইটো এই আইনৰ আওতাৰ বাহিৰত আৰু উচ্চ ন্যায়ালয়ে এটা প্ৰশাসনিক কাম কৰিব বিচাৰিছে যিটো এই আইন অনুসৰি সম্ভৱ নহয়.......

মই এইটোও স্পষ্ট কৰি দিব খুজিছো যে- কোনো পৰামৰ্শদাতাৰ মতামতে প্ৰাধান্য নাপায়, যি নামসমূহৰ সন্দৰ্ভত আলোচনা হৈছে, তাৰ মাজৰ পৰা মুখ্যমন্ত্ৰীয়ে যিকোনো নামকে আইন অনুসৰি ৰাজ্যপালৰ কাষলৈ উপ লোকায়ুক্ত হিচাপে বিবেচনাৰ বাবে প্ৰেৰণ কৰিব পাৰে।''

উচ্চতম ন্যায়ালয়ৰ দ্বিতীয় মতামততো হ'ল এনেধৰণৰ–

''সাধাৰণতে, প্ৰধান দায়িত্বত থাকিব মুখ্যমন্ত্ৰী, কাৰণ তেওঁ ৰাজ্যপালক পৰামৰ্শ দিব। ......এইটো পাহৰিলে নহ'ব যে উপ লোকায়ুক্ত নিয়োগৰ প্ৰক্ৰিয়া এক সাংবিধানিক দায়িত্ব, দিহা–পৰামৰ্শ প্ৰক্ৰিয়াৰ বিভিন্ন সাংবিধানিক কৰ্তৃপক্ষ ইয়াত জড়িত থাকিব আৰু এই আইনৰ পৰিপ্ৰেক্ষিতত তেওঁলোক কোনো কাৰো অধীন নহয়।.............মই সেয়েহে উচ্চ ন্যায়ালয়ৰ সৈতে একমত যে, আইন অনুসৰি উপ লোকায়ুক্ত নিয়োগৰ সংক্ৰান্তত মুখ্যমন্ত্ৰীয়েহে কেৱল বিবেচনাৰ বাবে নাম আগবঢ়াব পাৰে তথা তেওঁৰ এই পৰামৰ্শৰ যথাৰ্থতা কেৱল বিবেচনা কৰিবহে পাৰি।............আইনৰ ৩ (২)(খ) ধাৰা অনুযায়ী উপ লোকায়ুক্ত নিয়োগৰ প্ৰাথমিক দায়িত্ব মুখ্যমন্ত্ৰীৰ তথা তেওঁ ৰাজ্যপালক এই সংক্ৰান্তত পৰামৰ্শ আগবঢ়াব। পৰামৰ্শ আগবঢ়োৱাৰ পূৰ্বে তেওঁ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰিব। কিন্তু মুখ্য ন্যায়াধীশ একমাত্ৰ সাংবিধানিক কৰ্তৃপক্ষ নহয়, যাৰ পৰামৰ্শ গ্ৰহণ কৰা হৈছে, সেয়েহে এইটো ক'ব নোৱাৰি যে, কেৱল মাথোঁ মুখ্য ন্যায়াধীশৰ মতামত অন্য সাংবিধানিক কৰ্তৃপক্ষতকৈ বেছি প্ৰাধান্য পাব।......''

কৰ্ণাটক গোচৰৰ প্ৰসঙ্গত উচ্চতম ন্যায়ালয়ৰ ৰায়দানত কোৱা হৈছে, বহুতৰ সৈতে অৰ্থপূৰ্ণ দিহা–পৰামৰ্শ হ'ব পাৰে, ইয়াৰ ভিতৰত উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশো থাকিব, কিন্তু তেওঁলোকক নহয়, মুখ্যমন্ত্ৰীৰ মতামতকেই প্ৰাধান্য দিব লাগিব।

গুজৰাটৰ ক্ষেত্ৰত মত

গুজৰাট লোকায়ুক্ত প্ৰসঙ্গত উচ্চতম ন্যায়ালয়ৰ মতামত সম্পূৰ্ণ পৃথক আছিল। সেইক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে কৈছে, ''মুখ্য ন্যায়াধীশৰ মতামতক প্ৰাধান্য দিয়াৰ বাবে, তেওঁৰ স্বতন্ত্ৰ পৰিচয় আছে তথা যি লোকায়ুক্ত হ'ব তেওঁ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ, সেয়েহে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এইক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱাৰ বাবে সকলোতকৈ যোগ্য ব্যক্তি।......যিহেতু মুখ্য ন্যায়াধীশৰ মতামতে প্ৰাধান্য পাব সেয়েহে মুখ্যমন্ত্ৰীয়ে ইয়াক গ্ৰহণ কৰিলে নে নাই সেইটো গুৰুত্বহীন। ইয়াৰ উপৰিও যি ব্যক্তিৰ হাতত সীমাৱদ্ধ ক্ষমতা (মুখ্যমন্ত্ৰী) আছে, তেওঁ সীমাহীন ক্ষমতা ভোগ কৰিব নোৱাৰে।''

বিৰোধ

ন দিনৰ ভিতৰত লোকায়ুক্ত আৰু উপ লোকায়ুক্ত নিয়োগ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ে দুটা পৰস্পৰ বিৰোধী ৰায় দিলে। গুজৰাটৰ আইন কেনেকৈ আন ৰাজ্যৰ আইনতকৈ পৃথক হ'ব

পাৰে? উচ্চতম ন্যায়ালয়ৰ পৰৱৰ্তী ৰায়দানত যি যুক্তি আগবঢ়োৱা হৈছে যে দুয়োখন আইনৰ মাজত পাৰ্থক্য আছে সেইটো মানি ল'ব নোৱাৰি। দুয়োখন আইনতে কোৱা হৈছে মুখ্যমন্ত্ৰীয়ে দিহা-পৰামৰ্শ কৰিব, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশসহ বিভিন্ন জনৰ সৈতে দিহা-পৰামৰ্শ কৰিব, দুয়োখন আইন কাৰ্যতঃ প্ৰায় একে।

দুটা পৰস্পৰ বিৰোধী ৰায় দেখি সাংসদ হিচাপে মই চিন্তিত। পৰৱৰ্তী সময়ত, সংসদে যদি স্থিৰ কৰে এখন কমিটীয়ে লোকপাল নিয়োগ কৰিব, তাত ভাৰতৰ মুখ্য ন্যায়াধীশ থাকিব, তেতিয়াহ'লে তেওঁৰ মতামত গ্ৰহণ কৰাতো বাধ্যতামূলক হ'ব নেকি? অন্যান্যসকলৰ মতামতকৈ তেওঁৰ মতামতে প্ৰাধান্য লাভ কৰিব। এই সন্দেহ আঁতৰ কৰিব লাগিব আৰু ব্যাখ্যাৰ ক্ষেত্ৰত স্পষ্টভাৱে উল্লেখ কৰিব লাগিব।

পৰিস্থিতি একেই, কিন্তু এটা শব্দৰ দুটা পৃথক অৰ্থ বাহিৰ কৰা হৈছে। বিশ্বৰ ইতিহাসত এনে উদাহৰণ নাই। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হাউছ অফ লৰ্ডছত সংখ্যাগৰিষ্ঠ সদস্যই এটা শব্দৰ ভিন্ন ব্যাখ্যা আগবঢ়াইছিল। সেইটো তেওঁলোকে আগবঢ়াইছিল নাজি গুপ্তচৰক ধৰি জেৰা কৰাৰ প্ৰসঙ্গত। তেওঁলোকৰ যুক্তি আছিল, শান্তিৰ সময়ত ইয়াৰ আন অৰ্থ হ'ব, যুদ্ধৰ সময়ত আন অৰ্থ হ'ব। আইনী যুদ্ধৰ ঘোৰ বিৰোধিতা কৰিছিল লৰ্ড এটকিনচে। মই সেই অসাধাৰণ বক্তব্য পুনৰ সুঁৱৰাব খোজো, ''এই দেশত সশস্ত্ৰ সংগ্ৰামৰ মাজত আইন নীৰৱ নহয়। ইয়াক পৰিৱৰ্তন কৰিব পৰা যায়, কিন্তু ই শান্তি আৰু যুদ্ধৰ সময়ত একেই কথা কয়।..........মই অকলশৰীয়া হ'লেও শব্দৰ এই বিচিত্ৰ ব্যাখ্যাৰ প্ৰতিবাদ কৰিম, যি কাৰোবাক কাৰাগাৰত ভৰোৱাৰ বাবে মন্ত্ৰীক অনিয়ন্ত্ৰিত ক্ষমতা দিছে। শব্দৰ এটাই অৰ্থ থাকে। সাধাৰণ আইনৰ বিবৃতিত যি অৰ্থ ব্যৱহৃত হয় সেয়া আইনৰ ক্ষেত্ৰতো ব্যৱহৃত হয়। যি পৰিস্থিতিয়েই নহওক কিয়, ই অন্য অৰ্থত ব্যৱহৃত নহয়। প্ৰতিৰক্ষা বিধি নিষেধৰ ক্ষেত্ৰত ইয়াৰ অৰ্থ এক। অন্য অৰ্থ বুজাবলৈ গ'লে, আন শব্দ ব্যৱহাৰ কৰা হয়। যদি আন অৰ্থ প্ৰাসঙ্গিক হয়, এইক্ষেত্ৰত যিটো নহয়, তেতিয়াও কোনো শব্দৰ পৰস্পৰ বিৰোধী অৰ্থ নহয়। মই জানো একমাত্ৰ এটি কৰ্তৃপক্ষই এই পদ্ধতিৰ প্ৰস্তাৱ আগবঢ়াব পাৰে। ''মই যেতিয়া এটা শব্দ ব্যৱহাৰ কৰো 'হামটি-ডামটি' তেতিয়া মই ইয়াৰ অৰ্থ সিমানখিনিয়েই বুজাব খোজো, যিটো ইয়াৰ অৰ্থ, ইয়াৰ বেছিও নহয়, কমো নহয়। ''এলিছে ক'লে, প্ৰশ্ন হ'ল, তুমি কি শব্দৰে বিভিন্ন বস্তুক বুজাব পাৰা?'' হামটি ডামটিয়ে ক'লে, ''প্ৰশ্ন হ'ল, প্ৰভু কোন---ইমানেই।''

আলোচনা বুলি এটা অৰ্থই বুজাব, গুজৰাট, কৰ্ণাটক আৰু দেশৰ বাকী অংশতো।